**Dogo Rangsang Research Journal**
*(A Bilingual Research Journal
Indexed in* **UGC-CARE List***)*

**ISSN : 2347-7180**
*Vol.* **VIII**, *Issue* **XIV**, *July,* **2021**

# সোণোৱাল-কছাৰীসকলৰ পৰম্পৰাগত উৎসৱ ঃ 'খ্ৰীং খ্ৰীং বাইথ' পূজা

❑ **ড° গীতিকা দাস**
বিভাগীয় প্ৰধান, অসমীয়া বিভাগ, ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়।
ম'বাইল ঃ ৯৬৭৮৩৪৩৬৯১

**সংক্ষিপ্তসাৰ ঃ** *বৰ অসমৰ বৰ্ণিল সংস্কৃতিৰ ভেঁটিৰ প্ৰৱৰ্তক খিলঞ্জীয়া অধিবাসীসকলৰ ভিতৰত সোণোৱাল কছাৰীসকল অন্যতম। নৃগোষ্ঠীৰ ফালৰ পৰা তেওঁলোক মংগোলীয় ফৈদৰ অন্তৰ্গত এটি ঠাল আৰু ভাষা গোষ্ঠীৰ ফালৰ পৰা বৃহৎ চীন-তিব্বতীয় ভাষা গোষ্ঠীৰ অন্তৰ্গত। তেওঁলোক সহজ-সৰল সামাজিক প্ৰাণী। তেওঁলোকৰ সামাজিক আৰু ধৰ্মীয় জীৱন বৈচিত্ৰ্যপূৰ্ণ। সামাজিক প্ৰাণী হিচাপে সোণোৱাল-কছাৰীসকলৰ মাজত সুন্দৰ পাৰস্পৰিক সহযোগিতা দেখিবলৈ পোৱা যায় আৰু এই সহযোগিতাৰ উমান পোৱা যায় তেওঁলোকে পালন কৰা বিভিন্ন উৎসৱ-অনুষ্ঠানৰ জৰিয়তে। সোণোৱাল কছাৰী সমাজত যথেষ্ট স্বকীয় উৎসৱ-অনুষ্ঠান দেখিবলৈ পোৱা যায় আৰু এই উৎসৱ-অনুষ্ঠানবোৰত পূজা-পাতালৰ গুৰুত্ব অপৰিসীম। তেওঁলোকৰ সমাজত পালিত হোৱা পূজা-পাতালসমূহৰ ভিতৰত খ্ৰীং খ্ৰীং বাইথ' পূজা অন্যতম। আমাৰ এই গৱেষণাপত্ৰত সোণোৱাল-কছাৰীসকলৰ পৰম্পৰাগত ধৰ্মীয় উৎসৱ বাইথ' পূজাৰ বিভিন্ন ৰীতি-নীতি আৰু এই ৰীতি-নীতিসমূহত কেনেধৰণৰ পৰিৱৰ্তন ঘটিছে সেই সম্পৰ্কে এটি সমীক্ষাত্মক আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।*

**বীজ শব্দ ঃ** *সোণোৱাল-কছাৰী, সমাজ-সংস্কৃতি, পৰম্পৰাগত উৎসৱ আৰু পূজা-পাতল, খ্ৰীং খ্ৰীং বাইথ' পূজা, ৰীতি-নীতি।*

**১.০০ আৰম্ভণি ঃ**

ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত 'অসম' এখন বহুজাতিক বহুভাষিক ৰাজ্য। জনজাতিৰ বৰ্ণিল সংস্কৃতিৰ মিলনক্ষেত্ৰ অসমভূমিত প্ৰাক্-ঐতিহাসিক কালৰে পৰা বিভিন্ন সময়ত বিভিন্ন মানৱ গোষ্ঠী তথা নানা জাতি-জনজাতি আৰু বিভিন্ন ভাষা-ভাষী লোক বিভিন্ন পথেৰে প্ৰৱেশ কৰি ইয়াতেই থিতাপি লৈছে। ফলত অসমীয়া জাতীয় সত্ত্বা হৈ পৰিছে বিশ্বৰ ভিতৰতে বৈচিত্ৰপূৰ্ণ। চিৰ প্ৰৱহমান বৰ লুইতৰ দুয়োপাৰে পাহাৰে-ভৈয়ামে বাস কৰা এই জনগোষ্ঠীসমূহৰ ভিতৰত মংগোলীয়সকল অন্যতম।

প্ৰাক্-ঐতিহাসিক কালতে মংগোলীয়সকল ভাৰতৰ উত্ত-পূব ফালেদি আহি অসমত প্ৰৱেশ কৰে। মূলতঃ তেওঁলোক বৃহৎ চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ তিব্বতবৰ্মী ঠালৰ লোক। এই মংগোলীয়সকল হৈছে অসমৰ বিভিন্ন ঠাইত



Principal
Chhamaria Anchalik College

বসবাস কৰি থকা বড়ো, ৰাভা, মিছিং, সোণোৱাল কছাৰী, ডিমাছা, কাৰ্বি, তিৱা, গাৰো, হাজং আদি আন জনজাতিৰ লোক। এই জনজাতিবোৰৰ ভাষা-কৃষ্টিৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে অসমীয়া সভ্যতা তথা সমাজ-সংস্কৃতি।

বৰ অসমৰ বৰ্ণিল সংস্কৃতিৰ ভেঁটিৰ প্ৰৱৰ্তক থলুৱা অধিবাসী সকলৰ ভিতৰত সোণোৱাল-কছাৰীসকল অন্যতম। অসমৰ ভৈয়ামৰ জনজাতিসকলৰ ৯টা স্বীকৃতিপ্ৰাপ্ত জনগোষ্ঠীৰ ভিতৰত এটা জনগোষ্ঠী হৈছে সোণোৱাল কছাৰীসকল। নৃগোষ্ঠীৰ ফালৰ পৰা তেওঁলোক মঙ্গোলীয় বৈদৰ অন্তৰ্গত এটি ঠাল আৰু ভাষাগোষ্ঠীৰ ফালৰ পৰা বৃহৎ চীন তিব্বতীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত। নিজস্ব ভাষা-সংস্কৃতিৰে পৰিপূৰ্ণ এই জনগোষ্ঠীৰ লোকসকলে বিভিন্ন এৰাৰ নোৱাৰা কাৰণবশতঃ ইতিহাসৰ কোনো সময়ত চীন-তিব্বতীয় পৰিয়ালৰ ভাষা এৰি নব্য ভাৰতীয় আৰ্য ভাষাৰ অন্যতম 'অসমীয়া' ভাষা গ্ৰহণ কৰে। তেওঁলোকৰ ভাষা পৰিৱৰ্তন হোৱাৰ প্ৰসংগত মেদিনী চৌধুৰীয়ে এনেদৰে কৈছে—

> "পূৰ্বৰ ডিমাপুৰ ৰাজ্য পতন হোৱাৰ পাছত ব্ৰহ্মপুত্ৰ উপত্যকাতে বৈ যোৱা বড়োখিনিৰ অন্যান্য সংস্কৃতিৰ লোকৰ লগত সংমিশ্ৰণ ঘটে। বিশেষকৈ পূবে আহোম আৰু পশ্চিমে ৰাজবংশী শাসনৰ কবলত পৰি ভালেখিনি বড়ো গোষ্ঠীৰ লোকে আৰ্য অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰভাৱত নিজৰ ভাষা সংস্কৃতি এৰিবলৈ বাধ্য হয়।"[1]

**২.০০ সোণোৱাল কছাৰীসকল আৰু তেওঁলোকৰ সমাজ জীৱন :**

অসমীয়া ভাষা গ্ৰহণ কৰি অসমীয়া জাতি গঠনত অৰিহণা যোগোৱা সোণোৱাল কছাৰীসকল সাম্প্ৰতিক সময়ত উজনি অসমৰ জিলা কেইখনত অধিকভাৱে পোৱা যায়। বিশেষকৈ ডিব্ৰুগড়, লক্ষীমপুৰ, তিনিচুকীয়া, ধেমাজি আদি জিলাত এই সম্প্ৰদায়ৰ লোক বিস্তৃত হৈ আছে। ইয়াৰ উপৰিও উজনি অসমৰ আন আন জিলাসমূহতো ফোটোৰোকাকৈ হ'লেও সোণোৱাল কছাৰীৰ বসতি দেখিবলৈ পোৱা যায়। জনসংখ্যাৰ ফালৰ পৰা অসমৰ ভৈয়ামৰ জনজাতিসমূহৰ ভিতৰত তেওঁলোক তৃতীয় বৃহৎ জনগোষ্ঠী।

সোণোৱাল-কছাৰীসকল সহজ-সৰল সামাজিক প্ৰাণী। তেওঁলোকৰ সামাজিক আৰু ধৰ্মীয় জীৱন বৈচিত্ৰ্যপূৰ্ণ। সামাজিক প্ৰাণী হিচাপে সোণোৱাল কছাৰীসকলৰ মাজত সুন্দৰ পাৰস্পৰিক সহযোগিতা দেখিবলৈ পোৱা যায়। আৰু এই সহযোগিতাৰ উমান পোৱা যায় তেওঁলোকে পালন কৰা বিভিন্ন উৎসৱ পাৰ্বনৰ জৰিয়তে। সোণোৱাল কছাৰী সমাজত যথেষ্ট স্বকীয় উৎসৱ অনুষ্ঠান দেখিবলৈ পোৱা যায়। কিৰাত বংশোদ্ভৱ হিচাপে তেওঁলোকে শিৱ আৰু অন্যান্য স্বকীয় দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ পালন কৰা ধৰ্মীয় পূজা-পাতল আৰু উৎসৱ-অনুষ্ঠান পালন কৰে। ইয়াৰ উপৰিও নৱবৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পৰৱৰ্তী কালত উক্ত ধৰ্মৰ লগত জড়িত উৎসৱ-অনুষ্ঠানো তেওঁলোকে পালন কৰি আহিছে। সোণোৱাল কছাৰীসকলৰ উৎসৱ-অনুষ্ঠানবোৰত পূজা-পাতলৰ গুৰুত্ব অপৰিসীম। তেওঁলোকৰ সমাজত পালিত হোৱা পূজা-পাতলসমূহৰ ভিতৰত হ্ৰীং হ্ৰীং বাইথ' পূজা অন্যতম।

**৩.০০ গৱেষণাৰ উদ্দেশ্য আৰু লক্ষ্য :**

স্বকীয় কলা-সংস্কৃতিৰে পৰিপূৰ্ণ অসমৰ এটি জনগোষ্ঠী হৈছে সোণোৱাল কছাৰীসকল। তথাপিও যেন সাম্প্ৰতিক সময়ত তেওঁলোকৰ অস্তিত্ব বিপন্ন হৈ পৰিছে। ইয়াৰ মূলতে অধ্যয়ন গৱেষণাৰ অভাৱ আৰু আধুনিক যান্ত্ৰিক সভ্যতাৰ কৰাল আগ্ৰাসন। সোণোৱাল কছাৰীসকল লোক-সংস্কৃতিৰ দিশত যথেষ্ট চহকী। তেওঁলোকৰ মাজত এনে কিছুমান লোক-সংস্কৃতিৰ সমল আছে যিবোৰ আজিকোপতি উদ্ধাৰ, সংৰক্ষণ তথা প্ৰচাৰ-প্ৰসাৰ হোৱা নাই। যাৰ ফলত আধুনিক যুগৰ যান্ত্ৰিক সভ্যতাৰ কৰাল গ্ৰাসত এইবোৰ প্ৰায় লুপ্ত হ'বলৈ ধৰিছে। তেওঁলোকৰ সমাজত পালিত হোৱা হ্ৰীং হ্ৰীং বাইথ' পূজাও ইয়াৰ ব্যতিক্ৰম নহয়। আধুনিকতা তথা বিশ্বায়নৰ আগ্ৰাসনত তেওঁলোকৰ পৰম্পৰাগত ধৰ্মীয় উৎসৱ বাইথ' পূজাতো আমূল পৰিৱৰ্তন ঘটিছে আৰু এই পৰিৱৰ্তনে তেওঁলোকৰ পৰম্পৰা বিনষ্ট কৰিছে। সোণোৱাল কছাৰী সমাজৰ এই পৰম্পৰাগত বাইথ' পূজাৰ বিভিন্ন ৰীতি-নীতি আদি আলোচনাৰ জৰিয়তে উদ্ধাৰ



Principal
Chhamaria Anchalik College

কৰি তেওঁলোকৰ পৰম্পৰাক বিদ্বৎ সমাজত তথা বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাটোৱেই প্ৰস্তাৱিত গৱেষণা কৰ্মৰ মাই উদ্দেশ্য।

৪.০০ **গৱেষণা পদ্ধতি ঃ**

প্ৰস্তাৱিত বিষয়টি অধ্যয়নৰ ক্ষেত্ৰত বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। সমল আহৰণৰ কাৰণে ইতিমধ্যে প্ৰকাশিত গ্ৰন্থ আৰু বিভিন্ন প্ৰবন্ধ আদিৰ সহায় লোৱা হৈছে আৰু লগতে সাম্যক ক্ষেত্ৰ কাৰ্য সম্পাদন কৰা হৈছে।

৫.০০ **বিষয়বস্তু ঃ**

৫.০১ **খ্ৰীং খ্ৰীং বাইথ' পূজা আৰু পূজা অনুষ্ঠিত কৰা সময় ঃ**

সোণোৱাল কছাৰীসকলৰ পূজা-পাতল তথা ধৰ্মীয় উৎসৱসমূহৰ ভিতৰত খ্ৰীং খ্ৰীং বাইথ' পূজা অন্যতম। এই পূজা শিৱৰাত্ৰিৰ পিছৰ শুক্লপক্ষত অনুষ্ঠিত কৰা হয়। মূল পূজাভাগ শুক্লপক্ষৰ দ্বিতীয়টো সোমবাৰে পতা হয়। যিকোনো কাৰণত এইভাগ পূজা শিৱৰাত্ৰিৰ আগত অনুষ্ঠিত কৰা নহয়। এই পূজা তেওঁলোকৰ সকলো বংশ পৰিয়াল একত্ৰিত হৈ সাৰ্বজনীনভাৱে পালন কৰে। পূৰ্বতে সোণোৱালসকলৰ মাজৰ কেৱল বাইথ'ৰী পৰিয়ালেহে বাইথ' পূজা পাতিছিল যদিও কালক্ৰমত এই পূজাই সাৰ্বজনীনতা লাভ কৰে।[২]

খ্ৰীং খ্ৰীং বাইথ' পূজা মূলত শিৱ পূজা। সোণোৱাল কছাৰীসকলে শিৱক খ্ৰীং খ্ৰীং বাইথ' বুলি কয়। ইয়াৰে খ্ৰী শব্দৰ অৰ্থ হৈছে— খ+ৰ+ঈ+ং=খ্ৰীং; অৰ্থাৎ উৰণ, বুৰণ, গজন, গমন এই চাৰিমুঠি জীৱৰ ত্ৰাণকৰ্ত্তা।[৩] অৰ্থাৎ সৃষ্টি কৰি জীয়াই থাকিবলৈ সৃষ্টিকৰ্তাৰ উদ্দেশ্যে যি পূজা দিয়া হয় তাকেই সোণোৱাল-কছাৰীসকলে বাইথ' পূজা বুলি কয়।

৫.০২ **খ্ৰীং খ্ৰীং বাইথ' পূজাৰ বেদী স্থাপন ঃ**

সোণোৱাল কছাৰীসকলৰ বাইথ' পূজা প্ৰথমে হাবিৰ মাজত গছৰ গুৰিত আৰম্ভ কৰা হৈছিল। কিন্তু পৰৱৰ্তী কালত তেওঁলোকৰ গজাই গুৰু বুঢ়া মুদৈ ডাঙৰীয়া (সোণোৱালৰ মূল গুৰু)ৰ পৰামৰ্শ আৰু সিদ্ধান্তমৰ্মে পূজাভাগ পূজাৰীৰ ঘৰৰৈ লৈ অনা হয়। খ্ৰীং খ্ৰীং বাইথ'পূজাৰ মূল পূজ্যগৰাকীক তেওঁলোকে ৰজা বা দেউতা বুলি কয়। পূজা ঘৰৰ মূল খুঁটাটো মন্দিৰৰ মুধচৰ ওপৰেদি এটা কলডিল আকৃতিত বাহিৰলৈ ওলাই থকাকৈ সঁজা হয়। কলডিল প্ৰজননৰ প্ৰতীক। মূল খুঁটাৰ গুৰিত দুটা চাৰিমুখীয়া চাকি জ্বলোৱা হয়। ইয়াৰে এটা হৈছে খ্ৰীং ৰজা, গজাই, মনাই, গৃণ, কোঁৱৰ আৰু আনটো হৈছে উৰণ, বুৰণ, গজন, ভ্ৰমণ— এই চাৰিমুঠি জীৱ। অৰ্থাৎ এটা পুৰুষ আৰু আনটো প্ৰকৃতি। পুৰুষ পূজা মূল খুঁটা থকা মন্দিৰৰ ভিতৰত আৰু প্ৰকৃতি পূজা মূল মন্দিৰৰ বাহিৰত বৰ্গাকাৰে টিপ সাজি কৰা হয়। মূল মন্দিৰৰ পূজাক বাইথ' শালৰ আৰু বাহিৰৰ পূজাক ভুৰুলী শালনৰ পূজা বুলি কোৱা হয়। বাইথ' শালৰ পূজাৰীক বাইথ' বা ৰাজাগুৰু আৰু ভুৰুলী শালৰ পূজাৰীক শইকীয়া বুলি কোৱা হয়।

বাইথ' থানৰ মূল খুঁটাৰ গুৰিত লখিমীৰ ন-ভনীয়েকৰ উদ্দেশ্যে মিঠাতেলৰ চাকি জ্বলাবলৈ চাৰি পাঁচফুট ওখ এটা কোণ থকা এখন বেৰ দিয়া হয়। মূল খুঁটাৰ লগত সংলগ্ন কৰি ছটা কুমাৰ খুঁটাৰ লগতে সাতটা মূল খুঁটা অৰ্থাৎ সৰ্বমুঠ চৈধ্যটা পালিখুঁটা আৰু তিনিখন চাল থকা এখন দুৱাৰ সহিতে এটা মন্দিৰ সাজি লোৱা হয়। সাতটা মূলখুঁটাৰ অৰ্থ হৈছে সোণোৱাল কছাৰীসকলৰ সাতটা খেল, চৈধ্যটা পালি খুঁটাৰ অৰ্থ হৈছে তেওঁলোকৰ চৈধ্য বংশ আৰু তিনিখন চালৰ অৰ্থ খ্ৰীং ৰাজা গুৰুৰ লগতে মনাই গুৰু।[৪]

৫.০৩ **খ্ৰীং খ্ৰীং বাইথ' পূজাত প্ৰয়োজনীয় ব্যক্তিসকল ঃ**

সোণোৱাল কছাৰীসকলৰ বাইথ' পূজা তেওঁলোকৰ গজাই গুৰু বুঢ়া মুদৈৰ পৰামৰ্শক্ৰমে আৰু সমাজৰ আটাইৰে আলোচনামৰ্মে উদ্‌যাপিত হয়। এই পূজাভাগ সুকলমে সম্পন্ন কৰিবলৈ গাঁৱৰ ডেকা-গাভৰু ৰাইজৰ



Principal
Chhamaria Anchalik College

উপৰিও বাইথ' পূজাৰ বিভিন্ন ক্ষেত্ৰত অভিজ্ঞতা সম্পন্ন ব্যক্তিক সমাজৰ লোকসকলৰ সিদ্ধান্তমৰ্মে আগস্থান দিয়া হয়। তেওঁলোকে খুব গুৰুত্ব সহকাৰে নিজ নিজ দায়িত্ব পালন কৰি উৎসবটো সুচাৰুৰূপে সম্পন্ন কৰাত আগভাগ লয়। এওঁলোকৰ বাহিৰে পূজাৰ কাম-কাজ আৰু পূজাত ব্যৱহৃত সামগ্ৰীসমূহ আন কোনো লোকে স্পৰ্শ কৰিব নোবাৰে। এনে ব্যক্তিসকল হৈছে—

১। বাইথ' বা ৰাজগুৰু (বাইথ'শালৰ পূজাৰী)
২। দেওধাই (মন্দিৰৰ পূজাৰীৰ সহায়কাৰী)
৩। বাইথ'ৰ দেওধাই
৪। শইকীয়া (প্ৰকৃতি শালৰ পূজাৰী)
৫। শইকীয়া দেওধাই
(প্ৰকৃতিশালৰ পূজাৰীৰ সহায়কাৰী)
৬। ফুলকোঁৱৰ
৭। আখৈফুটোৱা
৮। দা-ধৰোৱা (দা ধাৰ দিওঁতা)
৯। মুৰাধৰা
১০। টিকাধৰা
১১। পাতপৰা
১২। শলিতাবটা
১৩। পাণ-তামোল কটা
১৪। মজিন্দাৰ (বাইথ'পূজাৰ মূল ব্যক্তি)
১৫। বাৰিক (গাঁৱৰ ২০ ঘৰৰ ভিতৰত মূল ব্যক্তি)
১৬। আশীৰ্বদীয়া
১৭। গীত ঘাই [৫]

৫.০৪ খ্ৰীং খ্ৰীং বাইথ'পূজাৰ বাবে প্ৰয়োজনীয় বিভিন্ন আহিলাপাতি বা সামগ্ৰী :

খ্ৰীং খ্ৰীং বাইথ'পূজা মূলত ৰাজহুৱা দেৱ-দেৱীৰ পূজা। গতিকে এই পূজাত দেৱ-দেৱীক আগবঢ়াবলৈ বিভিন্ন সামগ্ৰীৰ লগত পূজাৰ নৃত্য গীতত বিভিন্ন আহিলা পাতিৰ প্ৰয়োজন হয়। সেই সামগ্ৰীসমূহ হৈছে—

১। বাঁহ
২। আগলতি কলপাত
৩। আৰৈ চাউল
৪। তুংলতি পাত
৫। মাধুপুৰুষৰ ৰস (সোণোৱালৰ চাউলৰ পৰা তৈয়াৰ কৰা নিচাযুক্ত পানীয়)
৬। আখৈফুল
৭। চিৰিকাঠি
(তাঁতৰ শালত ব্যৱহৃত এডাল বিশেষ মাৰী)
৮। কাঁড় মাৰি
৯। কাঠৰ খটোৱাৰ
১০। ভগা জাপি
১১। ক'লা কুকুৰা
১২। খাগৰী
১৩। ৰঙা আলুৱা কুকুৰা (ডাঙৰ ৰঙা মতা কুকুৰা)
১৪। এযোৰ পহু (গাহৰি)
১৫। উলু খেৰৰ মালা
১৬। নিমখ
১৭। পিঠা
১৮। পাণ-তামোল
১৯। শলিতা
২০। বন্তি
২১। মিঠাতেল
২২। মাগুাখন (বলিকটা দা)
২৩। খুটীতাল
২৪। টকা মাৰি
২৫। ম'ৰা চৰাইৰ পাখি
২৬। এৰা গছৰ পাত
২৭। খৰি [৬]

৫.০৫ বাইথ' পূজাত স্থান পোৱা দেৱ-দেৱীসকল :

সোণোৱাল কছাৰীসকলৰ খ্ৰীং খ্ৰীং বাইথ' পূজা মূলত শিৱ পূজা। যদিও বাইথ' মূলত শিৱ পূজা তথাপি ইয়াত মূল দেৱতা শিৱ বা খ্ৰীং খ্ৰীং বাইথ'ৰ লগতে অনুসংগী আন আন দেৱ-দেৱীকো একেলগে একো ভাগ নৈবেদ্য আৰু পূজা এভাগ আগবঢ়োৱা হয়। খ্ৰীং খ্ৰীং বাইথ' পূজাত স্থান পোৱা আন আন দেৱ-দেৱীসকল হৈছে—



Principal
Chhamaria Anchalik College.

১। খ্রীং ৰাজা
২। আদৰ্শ পুৰুষ গজায়
৩। মনাই
৪। ফুলকোঁৱৰ
৫। ভুৰুলী-হাবুকী
৬। চাৰিবুঢ়া
৭। চাৰিশাল গোসাঁনী
৮। সৰস্বতী
৯। চকালী
১০। ভৰালী
১১। কুবেৰ (ধনৰ অধিকাৰী)
১২। কালিকা
১৩। দাদি
১৪। স্বৰ্গপুৰী
১৫। ন-ভনী লখিমী (দেওবাৰী, সোমবাৰী, বুধবাৰী, শাক্ৰাদৈ, ফাক্ৰাদৈ, ঠেংদৈ, বেংদৈ, দোনদৈ, কোলাদৈ)
১৬। দুৱাৰমুখৰ শুনা-নুশুনা দেউতা বা ৰাজা।
১৭। হেলৌ দলৌ
(ঘৰত ব্যৱহৃত ডলা-চালনী আদিৰ দেৱী)
১৮। পানীপটাৰ সোণ ক্ষেত্ৰী
১৯। চালৰ চালকুঁৱৰী
২০। বুঢ়া-বুঢ়ী
২১। বলিয়া বাবা
২২। ওঠৰ কোঁৱৰ (ওঠৰ সৃতি লুহিত)
২৩। বৰগাতিয়াল (গাতিগিৰি দেৱতা)
২৪। জলখাই (জল ডাঙৰীয়া)
২৫। বৰচামন (দেৱতাৰ সাত ভাই)
২৬। চেলা যশ (পানীত থকা ভূত পিশাচ)
২৭। লোহিত কোঁৱৰ
(জল পৰিবহন ব্যৱস্থাৰ দেৱতা)
২৮। বৰম বহু (গণেশৰ অন্য ৰূপ)
২৯। হৰিচৰণ
৩০। ৰঙা চৰণ (চিকাৰ দেৱতা)
৩১। নাক্ৰেং চাক্ৰেং
৩২। সূৰ্য্য
৩৩। থলৰ ৯ ভনী (ভূমি অধিকাৰী)
৩৪। আই ৯ ভনী
৩৫। ৰাজ মাৰক।[৭]

**৫.০৬ বিষয়বস্তু আৰু সংযুক্তি ঃ**

বাইথ' পূজা সাধাৰণতে দুদিনীয়াকৈ পালন কৰা হয়। মূল পূজা ভাগ শিৱৰাত্ৰিৰ পাছৰ দৌল পূৰ্ণিমাৰ শুক্ল পক্ষৰ দ্বিতীয় সোমবাৰে কৰা হয়।

**৫.০৬.০১ দেও নমোৱা অনুষ্ঠান ঃ**

মূল পূজাৰ আগদিনা অৰ্থাৎ দেওবাৰে সন্ধিয়া 'দেও নমোৱা অনুষ্ঠান' নামেৰে এটা অনুষ্ঠান পতা হয়। সেইদিনাই আচলতে বাইথ' পূজাৰ লগত জড়িত যাৱতীয় কামৰ শুভাৰম্ভ কৰা হয়। সেইদিনা সন্ধ্যা বাইথ' পূজাৰ কৰ্মীসকলক লগত লৈ মূল মন্দিৰৰ প্ৰধান পূজাৰীয়ে ভুৰুলী শাল বা প্ৰকৃতি শালৰ চাঙত উঠাই থোৱা বাইথ' শালৰ সামগ্ৰীসমূহ যেনে— মাণ্ডাখন (বলিকটা দা), হাইদাং গীতৰ বাদ্যযন্ত্ৰ যেনে— বাঁহী, খুটিতাল, টকামাৰি, ম'ৰা চৰাইৰ পাখি আদি চাঙৰ পৰা নমাই আনে। এই নমাই অনা সামগ্ৰীসমূহৰ ভিতৰত 'মাণ্ডাখন' চাঙৰ পৰা নমাই আনি প্ৰথমে শুদ্ধ মাদপুৰুষৰ ৰসেৰে (চাউলৰ পৰা তৈয়াৰ কৰা নিচাযুক্ত পানীয়) ধোৱে। তাৰপিছত সেই মাণ্ডাখন এখন আগলতি কলপাতত থয়। কলপাতত থোৱাৰ সময়ত মাণ্ডাখনৰ ধাৰ থকা ফালটো দক্ষিণমুৱাকৈ ৰাখে। কিন্তু চাঙৰ ওপৰত ৰখা সময়ত মাণ্ডাখনৰ ধাৰটো উত্তৰমুখীয়া কৰি ৰাখে। মাণ্ডাখন কলপাতত থোৱাৰ পিছত তাত এগছি মিঠাতেলৰ চাকি জ্বলাই এটা তামোল-পাণৰ টোপোলা আগবঢ়াই আৰু লগত এটা সৰু কুকুৰা চৰাই এখন সৰু অস্ত্ৰেৰে বলি দিয়ে। বলি দিয়া কুকুৰাৰ মাংসখিনি 'মাংখ খাজি' (মাংসৰ ভাজি) বনাই এই দেও নমোৱা পূজাত অংশগ্ৰহণ কৰা পূজাৰী তথা কৰ্মীসকলে প্ৰসাদ হিচাপে গ্ৰহণ কৰে কিন্তু এই পূজাভাগ প্ৰকৃতিশালৰ পূজা হোৱা বাবে মূল শালৰ পূজাৰীয়ে এই প্ৰসাদ গ্ৰহণ নকৰে।



Principal
Chhamaria Anchalik College,

প্ৰকৃতিশালৰ উক্ত পূজা ভাগ সমাপন কৰি ৰাতি মূলমন্দিৰত একুৰা জুই ধৰি তাৰ চাৰিওফালে সকলো কৰ্মী অৰ্থাৎ মূলপূজাৰী প্ৰমুখ্যে অন্যান্য বিষয়ববীয়া সকলে বহে। তাৰ পিছত এজন কৰ্মীয়ে গা ধুই তিতা কাপোৰেৰে সৈতে সেৱা সন্মান জনাই উলু খেৰৰ পাতেৰে এৰা গছৰ পাতত দুটাকৈ তামোল আৰু চাৰিখিলাকৈ পাণ দি নটা টোপোলা বান্ধে। এই টোপোলা নটা সোণোৱাল কছাৰীসকলৰ প্ৰধান দেৱতা সকলৰ নামত আগবঢ়োৱা হয়। টোপোলা আগবঢ়োৱা দেৱতা কেইজন হৈছে— খ্ৰীং ৰাজা, আদৰ্শ পুৰুষ গজায়, মনাই, ফুলকোঁৱৰ, ভুৰুলী-হাবুকী, চাৰিবুঢ়া, চাৰিশাল গোসাঁনী, সৰস্বতী আৰু হাইদাং গীতৰ সঁজুলিবোৰ। বান্ধিলোৱা টোপোলা কেইটাৰ দুটা মন্দিৰৰ উত্তৰ পূৱ কোণৰ খুঁটাত, দুটা দক্ষিণ পূৱ কোণৰ খুঁটাত বান্ধি দিয়ে। আকৌ দুটা টোপোলা পূজাৰীৰ বৰঘৰৰ চাঙত দি হুঁচৰিৰ সঁজুলিসমূহ নমাই আনি মন্দিৰত থয়হি। বাকী তিনিটা টোপোলাৰ এটা প্ৰধান পূজাৰী বা বাইথ'ক, এটা আশীৰ্বদীয়াক আৰু আনটো গীতঘাইক দিয়ে। টোপোলা আগবঢ়োৱা কামটো কৰি উঠি তিতা কাপোৰ পিন্ধি থকা কৰ্মী গৰাকীয়ে কাপোৰ কানি সলায়। তাৰপিছত পূজাৰীয়ে এটা 'আলুৱা ৰঙা কুকুৰা' (ডাঙৰ ৰঙা মতা কুকুৰা) জীয়াই জীয়াই জুইত পুৰি সেই জুইতে খাজি (ভাজি) বা তৰকাৰী বনাই প্ৰত্যেককে মাধুপুৰুষৰ ৰসেৰে সৈতে প্ৰসাদ হিচাপে বিতৰণ কৰি দিয়ে। সেই সময়ত এজন বৃদ্ধই এটা যোজনা মাতি তাৰ অৰ্থ প্ৰসাদ হাত পাতি লোৱা সকলক ভাঙিবলৈ দিয়ে। যদিহে অৰ্থ তাৰ মাজৰ পৰা কোনোবা এজনে হ'লেও ভাঙিব নোৱাৰে তেন্তে উক্ত প্ৰসাদ কোনেও গ্ৰহণ কৰিব নোৱাৰে। তেতিয়া আন এজন বৃদ্ধই এটা গুপুত মন্ত্ৰ উচ্চাৰণ কৰি "নমোঃ নমোঃ নমোঃ যেনিয়ে পোনাই তেনিয়ে চমু" বুলি কৈ "দেৱতাৰ আৰ্জন মনুষ্যৰ ভোজন" বুলি কোৱাৰ পিছতহে সকলোৱে প্ৰসাদ গ্ৰহণ কৰে আৰু আটাইয়ে মিলি এটা আলোচনাত বহে। উক্ত আলোচনাৰ মূল বিষয়বস্তু হৈছে পৃথিৱীৰ সৃষ্টিতত্ত্ব, মানুহৰ অতীতৰ ইতিহাস, ধৰ্ম-সংস্কৃতি আদি। আলোচনাৰ অন্তত দেও নমোৱা পূজাৰ সামগ্ৰীসমূহ পুনৰ পূজাৰীৰ বৰঘৰৰ বৰচাঙৰ ওপৰত থৈ আটাইয়ে ঘৰাঘৰি গুচি যায়।[৮]

**৫.০৬.০২ মূল পূজা ঃ**

দেও নমোৱা পূজাৰ পিছদিনা অৰ্থাৎ সোমবাৰে সন্ধিয়া মূলপূজা আৰম্ভ কৰা হয়। এই পূজাৰ কাৰণে প্ৰতিখন গাঁৱৰ পৰা বাৰিকজনে একোখন ভাৰ লৈ আহি মূল মন্দিৰত গোট খায় আৰু ভাৰ কেইখন তাতেই জমা দিয়ে। বাৰিকে অনা ভাৰখনত একো বটল মাধুপুৰষৰ ৰস বা মদ, আৰৈ চাউল, টংলতি পাতৰ উপৰিও গাঁওবাসীয়ে যি য'ত দিয়ে আটাইবোৰ থাকে। ভাৰখন জমা দিয়াৰ পিছত পূজাৰীয়ে বৰ ঘৰত এটা তামৰ পাত্ৰত বিভিন্ন গাঁৱৰ পৰা অনা অলপ অলপ মাধুপুৰুষৰ ৰস, আৰৈ চাউল আৰু টংলতি পাতেৰে শান্তিজল তৈয়াৰ কৰি বাইথ' পূজাৰ কৰ্মীসকল তথা বিষয়ববীয়া সকলক সেই শান্তিজলেৰে শুচি কৰে। বিভিন্ন গাঁৱৰ পৰা আনি জমা কৰা মাধুপুৰুষৰ ৰস আৰু অন্যান্য সামগ্ৰীসমূহ অলপ অলপকৈ মিলোৱাৰ অৰ্থ হৈছে বিভিন্ন সৰুবৰ নদ-নদী, জান-জুৰিৰ পানী লগ হৈ সাগৰৰ সৃষ্টি হয় আৰু সাগৰৰ পানী বাষ্পীভূত হৈ বৰষুণ হৈ পুনৰ জান-জুৰি, নদ-নদী সৃষ্টি হোৱা। অৰ্থাৎ এই পূজাৰ দ্বাৰা যাতে জাতিটো অজৰ-অমৰ হয়।[৯] শান্তি জলেৰে শুচি কৰাৰ পিছত কৰ্মীসকলে মন্দিৰত সেৱা জনাই নিজৰ নিজৰ দায়িত্ব যেনে আখৈ ফুটুৱা, মালা গঠা আদি পূজাৰ যাৱতীয় কামবোৰ কৰিবলৈ ধৰে। মূল পূজাৰ কাম কৰা এই কৰ্মীসকল হৈছে— বাইথ', বাইথ'ৰ দেওধাই, শইকীয়া, শইকীয়াৰ দেওধাই, ফুলকোঁৱৰ, আখৈফুটোৱা, দা-ধাৰোৱা, মুৰাধৰা, টিকাধৰা, পাতপৰা, শলিতাবটা, পাণ-তামোল কটা, মজিন্দাৰ আৰু বাৰিক। এই কৰ্মীসকলৰ বাহিৰে পূজাৰ যাৱতীয় সামগ্ৰীসমূহ আন কোনো লোকে স্পৰ্শ কৰিব নোৱাৰে। মালা গঠা, আখৈ ফুল ফুটোৱা আদি পূজাৰ প্ৰাথমিক কামবোৰ হোৱাৰ পিছত পূজাৰীৰ বৰঘৰৰ ভিতৰত পোন প্ৰথমে চকালী, ভৰালী, কুবেৰ, কালিকা, দালি, ফুলকোঁৱৰ, স্বৰ্গপুৰী আৰু ন-ভনী লখিমীক পূজা দিয়া হয়। তাৰপিছত বৰ



Principal
...hamaria Anchalik College

ঘৰৰ দুৱাৰমুখত শুনা-নুশুনা দেউতা পূজা, ঢেঁকীত ডলা-চালনীৰ সৈতে বম পূজা, পানী পতাত সোণক্ষেত্ৰীৰ পূজা, চালত চালকুঁৱৰী পূজা দি বৰঘৰৰ ওপৰেদি এপাট চিৰিকাঠি আৰু এপাট কাঁড় মাৰি পঠিয়ায় আৰু লগে লগে চিঞৰ এটা মাৰি কাঠৰ খটোৰ পৰা পানী পেলোৱা হয়। এই সময়ত পূজাৰীয়ে মূৰত এটা ভগা জাপ লৈহে কামখিনি কৰে। পূজাভাগ শেষ হোৱাৰ পিছত কুলাচন দেৱতাৰ নামত এটা ক'লা কুকুৰা মেলি দিয়া হয়। এইদৰে বিভিন্ন দেৱ-দেৱীক নিজ নিজ নীতি-নিয়মৰ মাজেৰে পূজা দি মূল মন্দিৰত বাওঁফালে বাইথ' আৰু সোঁফালে দেওধাই বহি মূল পূজা ভাগ আৰম্ভ কৰে। মূল পূজাত ৰঙা আলুৰা কুকুৰা এটা বলি দিয়ে আৰু সেৱকসকলে তাত তামোল-পাণৰ টোপোলা আগবঢ়াই সেৱা জনায়।

**৫.০৬.০৩ প্ৰকৃতি শাল বা ভুৰুলী শালৰ পূজা ঃ**

মূল মন্দিৰত পূজা আৰম্ভ হোৱাৰ প্ৰায় সমান্তৰাল ভাৱে শইকীয়া আৰু শইকীয়াৰ দেওধাইয়ে ভুৰুলী শালত ভুৰুলী-হাবুকী পূজা আৰম্ভ কৰে। বাইথ' পূজা পুৰুষ পূজা আৰু ভুৰুলী পূজা প্ৰকৃতি পূজা হোৱা হেতুকে বাইথ'ৰ দেওধাই ভুৰুলী পূজালৈ নাহে আৰু ইয়াৰ প্ৰসাদো গ্ৰহণ নকৰে। ভুৰুলী শালখন পূৰ্বৰে পৰা প্ৰতিষ্ঠা কৰা নাথাকে। পূজাৰ আগমুহূৰ্তত বাহিৰৰ মুকলি ঠাইত বৰ্গাকৃতিৰে মাটিৰ ঢিপ সাজি তাৰ চাৰিওফালে খাগৰীৰ বেৰ দি নিৰ্মাণ কৰি লোৱা হয়। এই পূজাত তেত্ৰিশ কোটি দেৱতাক পূজা দিয়া হয়। ইয়াৰ প্ৰসাদ হিচাপে চাউল, নিমখ, পিঠা তামোল পাণৰ লগত চাকি বন্তি জ্বলোৱা হয়। মদ বা মাধুপুৰুষৰ ৰস ভুৰুলী শালৰ পূজাত ব্যৱহাৰ কৰা নহয়। শালৰ মাজত একুৰা ডাঙৰ জুই জ্বলোৱা হয় আৰু সেই জুইৰ পৰাই পূজাত আগবঢ়োৱা চাকিসমূহ জ্বলোৱা হয়। এইকুৰা জুইক শিৱ বা ব্ৰহ্মা জ্ঞান কৰা হয়। সেইকাৰণে যি সোণোৱাল কছাৰী গাঁৱত খ্ৰীং খ্ৰীং বাইথ' মন্দিৰ থাকে সেই গাঁৱত মাঘৰ বিহুত মেজি জ্বলোৱা নহয়। আকৌ যিবিলাক গাঁৱৰ পৰা এই পূজাৰ বাবে ৰাইজৰ ভাৰ অনা হয় সেই গাঁৱসমূহতো মাঘৰ মেজি জ্বলাব নালাগে বুলি তেওঁলোকে বিশ্বাস কৰি আহিছে।[১০] এই পূজাত স্থান পোৱা দেৱ-দেৱীসকল হৈছে—ভুৰুলী (পাৰ্বতী), হাবুকী, বুঢ়া-বুঢ়ী, চাৰি গোসাঁই, ওঠৰ কোঁৱৰ, বলিয়া বাবা, বৰ গাতিয়াল, জলখাই, বৰচামন, চেলা-যশ, লোহিত কোঁৱৰ, বৰম বহু, হৰিচৰণ, ৰঙাচৰণ, হেলৌ-দেলৌ, কানৈ, কণকণ বায়ৰু-বাংৰি, ডাঙৰীয়া, নাক্ৰেং চাক্ৰেং, সূৰ্য্য, থলৰ ন ভনী, কুবেৰ বুঢ়া-বুঢ়ী, লখিমী ন ভনী, হৰ-পাৰ্বতী, সৰস্বতী, আই ন ভনী, জলৰ ন-ভনী, ৰাজমৰক আদি।[১১]

ফুলকোঁৱৰে এটা নিজৰ ফালৰ কুকুৰা আৰু এটা ৰাইজৰ ফালৰ কুকুৰা বলি দি পূজাৰ শোভাৰম্ভ কৰে। বলি হোৱাৰ পিছত শইকীয়া আৰু দেওধাই পূজাত প্ৰৱেশ কৰি বুঢ়া-বুঢ়ীৰ পৰা আৰম্ভ কৰি ৰাজমৰক দেৱতালৈকে একাদিক্ৰমে পূজা ভাগ আগবঢ়ায়। মনকবিলগীয়া যে এই পূজাত ৰঙা আলুৰা কুকুৰা ব্যৱহাৰ কৰা নহয়। সৰ্বশেষত মূল দা বা খাণ্ডাৰে ভুৰুলী হাবুকীৰ নামত এযোৰ পহু (গাহৰি) বধি দি পূজা ভাগৰ সামৰণি মাৰে। পহু বলি দিয়াৰ সময়ত পহুৰ ডিঙিত উলু খেৰৰ মালা পিন্ধাই দিয়ে। সেইখিনি সময়ত মূৰ ধৰাই মূৰত ধৰি থাকে, টিকাধৰাই পহুৰ ঠেঙত ধৰি থাকে আৰু শইকীয়াই ৰেপ দি বলি দিয়ে, ঘপিয়াই দিয়া নহয়। এনেদৰে সোমবাৰে সন্ধিয়া সময়ৰ পৰা গোটেই নিশা পূজাভাগ চলি থাকে। পিছদিনা অৰ্থাৎ মঙ্গলবাৰে পূজাভাগৰ সামৰণি মাৰে। এই পূজাৰ প্ৰসাদেৰে পূজাৰীৰ বৰঘৰত ৰাইজে ভাৰত অনা চাউল মিলাই ভাত বনাই সাত খেলৰ সাতজন বুঢ়া ভকতক এসাজ ভাত খুৱাই। এই ভাত খুওৱা অনুষ্ঠানটোক 'ৰাজহুৱা বুঢ়া পোহা' বুলি কোৱা হয়। ইয়াৰ পিছত দুপৰবীয়া সময়ত হাইদাং গীতৰ সামগ্ৰীসমূহ পূজাৰীৰৰ ঘৰৰ পৰা নমাই আনি মন্দিৰৰ পৰা হাইদাং গীত গাই গাই আহি আকৌ পূজাৰীৰ ঘৰত সামগ্ৰীসমূহ থৈ দিয়ে। সেইসময়ত পূজাৰীৰ বৰঘৰৰ ভিতৰত ডেকা-গাভৰুহঁতে বিহু মাৰি থাকে। যেতিয়া হাইদাং গীত গাই থকা দলটো পূজাৰীৰ বৰঘৰত সোমাই তেতিয়া বিহু মাৰি থকা ডেকা-গাভৰুৰ দলটো পূজাৰীৰ চোতাললৈ ওলাই আহি বিহু মাৰে। সেই সময়ত বৃদ্ধসকলে বৰঘৰত সোমাই মাধুপুৰুষৰ ৰস সেৱন কৰি লখিমী নমাই বাহিৰ পাইহি মানে ডেকাইঁতে বিহু সামৰে। আৰু একেদৰেই খ্ৰীং



Principal
Chhamaria Anchalik College.

খ্ৰীং বাইথ' পূজাৰ প্ৰধান কাৰ্যসূচীৰ সামৰণি মৰা হয়।

**৬.০০ খ্ৰীং খ্ৰীং বাইথ' পূজাৰ নীতি-নিয়ম আৰু ইয়াৰ বিশেষত্ব ঃ**

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে দুদিনীয়াকৈ পালন কৰা এই বাইথ' পূজাত কিছুমান এৰাব নোৱাৰা নীতি-নিয়ম বিশেষভাৱে পালন কৰা হয়—

ক) খ্ৰীং খ্ৰীং বাইথ' পূজা শিৱৰাত্ৰিৰ পিছত শুক্লপক্ষত অনুষ্ঠিত কৰা হয়।

খ) মূল পূজাভাগ শুক্লপক্ষৰ দ্বিতীয় সোমবাৰৰ বাহিৰে অন্য সময়ত পাতা নহয়।

গ) বাইথ' পূজা ভাগ সমাপনৰ কাৰণে বিভিন্ন কৰ্মী সমাজৰ লোকসকলে আলোচনাৰ মাজেৰে বাচনি কৰি দিয়ে। আৰু তেওঁলোকৰ বাহিৰে পূজাৰ যাৱতীয় সামগ্ৰী আৰু কৰ্মসমূহ অন্য গাঁৱৰ ব্যক্তিয়ে কৰিব নোৱাৰে।

ঘ) বাইথ' পূজাত পুৰুষ আৰু প্ৰকৃতি উভয়কে পূজা দিয়া হয়। পুৰুষ পূজা মূল খুঁটা থকা মন্দিৰৰ ভিতৰত আৰু সমসাময়িক ভাৱে প্ৰকৃতি পূজা মূল মন্দিৰৰ বাহিৰত অস্থায়ী ঢিপ সাজি কৰা হয়।

ঙ) বাইথ' আৰু বাইথ'ৰ দেওধাই প্ৰকৃতি শালৰ পূজালৈ নাযায় আৰু প্ৰসাদো গ্ৰহণ নকৰে।

চ) মূল পূজাত ৰঙা আলুৰা কুকুৰাৰ বলি আৰু মাধুপুৰুষৰ ৰসৰ ব্যৱহাৰ অনিবাৰ্য। ইয়াৰ বিপৰীতে প্ৰকৃতি শালৰ পূজাত ৰঙা আলুৰা কুকুৰা আৰু মাধুপুৰুষৰ ৰস ব্যৱহাৰ কৰা নহয়।

ছ) এই মূল পূজা আৰু প্ৰকৃতি পূজাৰ কাম বৰ দীঘলীয়া আৰু প্ৰায় গোটেই নিশাই চলে।

**৭.০০ সিদ্ধান্তসমূহ ঃ**

এই আলোচনাৰ অন্তত কেতবোৰ সিদ্ধান্তলৈ উপনীত হ'ব পাৰি—

ক) খ্ৰীং খ্ৰীং বাইথ' পূজা সোণোৱাল কছাৰীসকলৰ প্ৰধান আৰু শ্ৰেষ্ঠ পূজা।

খ) ই মূলতঃ শিৱ পূজা।

গ) বাইথ' পূজাস্থলীত সোণোৱাল সমাজৰ ডেকাৰ পৰা বুঢ়ালৈকে, দুখীয়াৰ পৰা ধনীলৈকে সকলো লোক একত্ৰিত হয়।

ঘ) খ্ৰীং খ্ৰীং বাইথ' পূজাই সোণোৱালসকলক ধৰ্মৰ বান্ধোনেৰে বান্ধি ৰখাৰ উপৰিও তেওঁলোকৰ সমাজক একতাৰ ডোলেৰে বান্ধি ৰাখিছে।

**৮.০০ উপসংহাৰ ঃ**

ওপৰৰ আলোচনাৰ পৰা দেখা পোৱা গ'ল যে সোণোৱাল সমাজে পালন কৰা উৎসৱ-অনুষ্ঠানসমূহৰ ভিতৰত খ্ৰীং খ্ৰীং বাইথ' পূজাক যথেষ্ট আড়ম্বৰপূৰ্ণভাৱে পালন কৰে। তেওঁলোকৰ সমাজত প্ৰচলিত বিবিধ উৎসৱ-অনুষ্ঠান তথা লোকগীত, লোক-কাহিনীয়ে তেওঁলোকৰ সংস্কৃতিৰ ভঁৰাল চহকী কৰাৰ লগতে বৈচিত্ৰতাও প্ৰদান কৰিছে। এই ক্ষেত্ৰত খ্ৰীং খ্ৰীং বাইথ' পূজাৰ ভূমিকা এৰাব নোৱাৰা। বাইথ' পূজাই সোণোৱাল সংস্কৃতিক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। ইয়াৰ উপৰিও বাইথ' পূজাৰ সৈতে পৰম্পৰাগতভাৱে এৰাব নোৱাৰাকৈ সংযুক্ত হৈ থকা হাইদাং গীতৰ সামগ্ৰী (বাদ্যযন্ত্ৰ) সমূহ, লোকবিশ্বাস, পূজাত ব্যৱহৃত বাঁহ, টংলতি পাত, এৰা গছৰ পাত, চিৰিকাঠি, খাগৰী, টকামাৰী, উলুখেৰ, ভগা জাপি আদিয়ে সোণোৱাল কছাৰীসমাজক এক উৎকৃষ্ট মৰ্যাদা প্ৰদান কৰিছে। লগতে এই উৎসৱে সোণোৱাল কছাৰীসকলৰ সামাজিক জীৱনক ঐক্য-সংহতি, সম্ভাৱ-সম্প্ৰীতিৰ ডোলেৰে বান্ধি ৰখাত যথেষ্ট ভূমিকা পালন কৰা দেখা যায়।

সমাজ তথা সংস্কৃতি পৰিৱৰ্তনশীল। সোণোৱাল কছাৰী সমাজো ইয়াৰ ব্যতিক্ৰম নহয়। আধুনিকতাৰ বতাহে তেওঁলোকৰ সমাজকো ছুই নোযোৱাকৈ থকা নাই। সেয়ে সময়ৰ গতিত সোণোৱাল সমাজৰ খ্ৰীং



Principal
Chhamaria Anchalik College

খ্ৰীং বাইথ' উৎসৱৰ নীতি-নিয়মসমূহো ঠাই বিশেষে কিছু পৰিৱৰ্তন হোৱা-দেখিবলৈ পোৱা যায়। আধুনিকতাৰ কৰাল গ্ৰাসত লুপ্ত হ'বৰ উপক্ৰমৰ ঘটা সোণোৱালসকলৰ এই পৰম্পৰাগত বাইথ' উৎসৱৰ পৰম্পৰাগত নীতি-নিয়ম, বিধি-ব্যৱস্থা সমূহ উদ্ধাৰ, প্ৰচাৰ-প্ৰসাৰ তথা সংৰক্ষণ আৰু নৱ প্ৰজন্মৰ মাজত প্ৰচলন কৰাৰ প্ৰয়াসেৰেই এই আলোচনা আগবঢ়োৱা হৈছে।◆◆

**প্ৰসংগ টোকা ঃ**

১। চৌধুৰী, মেদিনী ঃ 'সোণোৱালী', সোণোৱাল কছাৰী ছাত্ৰ সমাজ, পৃ.৩

২। হাজৰিকা বৰুৱা, ৰূপালী ঃ সোণোৱাল কছাৰীৰ ধৰ্মীয় বিশ্বাস আৰু পূজা-পাতল, পৃ.৪৩

৩। সোণোৱাল, প্ৰমোদ ঃ 'সোণোৱাল কছাৰীসকলৰ পূজা-পাৰ্বন আৰু সকাম-নিকামসমূহৰ বিৱৰণ', সোণোৱাল কছাৰীৰ সমাজ আৰু সংস্কৃতি গ্ৰন্থৰ অন্তৰ্গত প্ৰবন্ধ।

৪। সংবাদদাতা ঃ প্ৰমোদ সোণোৱাল, মূল পূজাৰী, বয়স-৭৩, ডাঙৰী ন-পথাৰ।

৫। উপৰোক্ত সংবাদদাতা।

৬। উপৰোক্ত সংবাদদাতা।

৭। উপৰোক্ত সংবাদদাতা।

৮। উপৰোক্ত সংবাদদাতা।

৯। উপৰোক্ত সংবাদদাতা।

১০। উপৰোক্ত সংবাদদাতা।

১১। উপৰোক্ত সংবাদদাতা।

**গ্ৰন্থপঞ্জী ঃ**

চৌধুৰী, মেদিনী ঃ সোণোৱালী, ২০১০

তালুকদাৰ, ধ্ৰুৱ কুমাৰ ঃ অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোক উৎসৱ, বনলতা, গুৱাহাটী

দাস, গীতিকা আৰু ৰাভা, লোহিত (সম্পা.) ঃ অসমৰ জনজাতীয় সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা, পূৰ্বায়ন প্ৰকাশন, গুৱাহাটী-২০১৯

ৰৰা, দেৱজিৎ (সম্পা.) ঃ উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় লোক-সংস্কৃতি, এম.আৰ. পাব্লিকেশ্যন, গুৱাহাটী, ২০১৪

বৰুৱা, হেমচন্দ্ৰ ঃ হেমকোষ, হেমকোষ প্ৰকাশন, ১৯৮৫

ভট্টাচাৰ্য, প্ৰমোদ চন্দ্ৰ ঃ অসমৰ জনজাতি, ১৯৯৯

ৰাভা হাকাচাম, উপেন ঃ অসমীয়া আৰু অসমৰ তিব্বত বৰ্মীয় ভাষা, হাকাচাম, কাওছাদাম, ধূপধৰা-২০০০

শৰ্মা, নবীন চন্দ্ৰ ঃ অসমৰ লোক-সংস্কৃতিৰ আভাস, বাণী প্ৰকাশন প্ৰাইভেট লিমিটে, গুৱাহাটী-১৯৯৫

সোণোৱাল, গহীন ঃ সোণোৱাল কছাৰীৰ বৰ্ণময় কৃষ্টি-সংস্কৃতি, অলিম্পিয়া পাব্লিকেশ্বন, গুৱাহাটী- ২০১৪

সোণোৱাল, মোহন ঃ সোণোৱাল কছাৰীৰ সমাজ আৰু সংস্কৃতি, ২০০১

সোণোৱাল, লৱৰাম (সম্পা.) ঃ সোণোৱাল দৰ্শন, ২০১০

**ইংৰাজী ঃ**

Gaith, Edward ঃ A History of Assam, Lawyer's Book Stall, Guwahati, 1926.

Grierson G.A. ঃ The Linguistic Survery of India, Voll-II, Delhi-1967.

Nath Rajmohan ঃ The background of Assamese Culture.



Principal
Chhamaria Anchalik College